**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-AUGUST-2026
**Time :** 12.05 PM

**ASSAMESE 12.05 PM BULLETIN**

———————————————————————————

000000

১। ৰাজ্যত অহা ৫ বছৰত বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ণৰ বাবে ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ সিদ্ধান্তত মন্ত্ৰীসভাৰ অনুমোদন।

২। সোণাপুৰৰ ক্ষেত্ৰীৰ পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৭ লৈ বৃদ্ধি। ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ পৰ্যালোচনাৰ বাবে খানাপাৰাৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত বৈঠক।

৩। নেপালৰ বানত মৃত্যুৰ সংখ্যা ৭৯৪ লৈ বৃদ্ধি।

**আৰু**

৪। প্ৰাক্তন ৰাষ্ট্ৰপতি, ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড০ প্ৰণৱ মুখাৰ্জীৰ মৃত্যুবাৰ্ষিকীত শ্ৰদ্ধাৰে সোঁৱৰণ।

000000

ৰাজ্য চৰকাৰে ইনফ্ৰা ভিজনৰ অংশ হিচাপে অহা ৫ বছৰত অসমত বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ণ কৰিবলৈ ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকে কালি ইয়াৰ বাবে অনুমোদন জনাইছে। বৈঠকত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃগাঁথনিৰ বাবে ১০৯ কোটি টকা আৱণ্টন দিয়াৰ লগতে বিশ্ববিদ্যালয়খনক পৰৱৰ্তী সময়তো ১৪০ কোটি টকা আৱণ্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৭ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণৰ কাৰ্যসূচীত এই পুঁজি বিশ্ববিদ্যালয়খনক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব।

বাইট (চি এম)

এই বৈঠকত স্বচ্ছ শক্তিৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে গোৱালপাৰাৰ ৰাক্ষসিনী পাহাৰত ৩০ মেগাৱাট শক্তিসম্পন্ন সৌৰ প্ৰকল্পৰ বাবে ৫০০ বিঘা ভূমি আৱণ্টনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি চন্দ্ৰপুৰ, সোণাপুৰ আৰু চাপৰকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেইবাটাও অঞ্চলত অসম ঔদ্যোগিক উন্নয়ন নিগমক এহেজাৰ ৭৪ বিঘা ভূমি আৱণ্টনৰ লগতে ধেমাজিত দুগ্ধ উন্নয়ন প্ৰকল্পৰ বাবে ২৭ বিঘা ভূমি আৱণ্টনৰো সিদ্ধান্ত লোৱা হয়। চাহ বাগিচাৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰতো কেইবাটাও নীতি নিৰ্দেশনাত অনুমোদন দিয়া হৈছে।

কৰ্কট ৰোগৰ উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৬০০ কোটি টকা ব্যয়সাপেক্ষে এটা প্ৰ'টন বীম থেৰাপি কেন্দ্ৰ স্থাপনত কেবিনেটে অনুমোদন জনায়।

গুৱাহাটী কাৰাগাৰত এজন কয়দীৰ দেহত এইছ্‌ আই ভি পজিটিভ ধৰা পৰাক লৈ চৰকাৰ উদ্বিগ্ন বুলি মুখ্যমন্ত্ৰীয়ে এই সংবাদ মেলত প্ৰকাশ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ে এই বিষয়টো গুৰুত্ব সহকাৰে লৈছে বুলি তেওঁ কয়। ৰোগীৰ চিকিৎসাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ভৱিষ্যতে এই দিশটোত চোকা দৃষ্টি ৰখা হ'ব মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

সোণাপুৰৰ ক্ষেত্ৰীৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সংঘটিত পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৭ জনলৈ বৃদ্ধি পাইছে।  দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অনিমা ডেকা বৰদলৈ নামৰ মহিলাগৰাকীৰ আজি মৃত্যু হয়। আহত আন ছজন লোক বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। ইয়াৰে দুজন লোকৰ অৱস্থা অতি সংকটজনক বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষ ডা০ বাবুল কুমাৰ বেজবৰুৱাই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে।

**বাইট (বাবুল কুমাৰ বেজবৰুৱা)**

দুৰ্ঘটনাত নিহত হোৱা জ্যোতিকা ৰংহাং নামৰ এগৰাকী মহিলা আৰু চালক গোপাল দাসক চিনাক্ত কৰা হৈছে। ইপিনে এই ভয়ংকৰ পথ দুৰ্ঘটনাৰ পাছতে ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ পৰ্যালোচনাৰ বাবে আজি খানাপাৰাৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত, ডিমৰীয়া সমজিলাৰ আয়ুক্ত, আৰক্ষী আয়ুক্ত, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়া, সাংসদ, বিধায়ক তথা ডিমৰীয়াৰ দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশ লৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ক্ষেত্ৰীত কালি গুৱাহাটী অভিমুখী এখন যাত্ৰীবাহী বাহনে ডিভাইডাৰত খুন্দা মাৰি নিয়ন্ত্ৰণ হেৰুৱাৰ পাছতে বিপৰীত দিশৰ পৰা আহি থকা এখন মালবাহী ট্ৰাকত খুন্দা মৰাৰ ফলত ছজন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো লোক গুৰুতৰভাৱে আহত হয়। পথৰ মাজত থকা দ' গাঁতৰ বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ তুলি কালি স্থানীয় ৰাইজে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০০০

নেপালত যোৱা বুধবাৰে অহা আকস্মিক বানৰ পাছত ত্ৰিশূলী-থ্ৰি একে ধৰি জলবিদ্যুৎ প্ৰকল্পসমূহৰ সুৰংগত আবদ্ধ হৈ পৰা কেইবাশ লোকক উদ্ধাৰৰ বাবে অভিযান তীব্ৰ কৰি তোলা হৈছে। ভাৰত আৰু চীনৰ বিশেষজ্ঞকে ধৰি উদ্ধাৰকাৰী দলে এই লোকসকলৰ সৈতে যোগাযোগৰ চেষ্টা চলাই আছে যদিও বৰ্তমানলৈকে সুৰংগৰ ভিতৰৰ পৰা কোনোধৰণৰ সঁহাৰি লাভ কৰা নাই। এতিয়ালৈকে সন্ধানহীন হৈ থকা দুহেজাৰ ৫০০ লোকৰ ভিতৰত কেইবাশ লোক এই জলবিদ্যুৎ প্ৰকল্পসমূহৰ কৰ্মী আছিল বুলি সন্দেহ কৰা হৈছে। দেশখনৰ এই দুৰ্যোগত কমেও ৭৯৪ জন লোকৰ মৃত্যু হৈছে আৰু দুহেজাৰ ৫০০ৰো অধিক লোক সন্ধানহীন হৈ আছে। তিবৱতত চৰকাৰী তথ্য অনুসৰি ১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৪৬ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নেপালৰ বানত প্ৰভাৱিত আঠোখন জিলাৰ পৰা মৃতদেহসমূহ উদ্ধাৰ কৰি আছে। ত্ৰিশূলী নদীত কালি নতুনকৈ অহা বানে মধ্য নেপালৰ এখন ওলমা দলং উটুৱাই লৈ যায়।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰাক্তন ৰাষ্ট্ৰপতি, ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড০ প্ৰণৱ মুখাৰ্জীৰ মৃত্যুবাৰ্ষিকীত শ্ৰদ্ধাৰে সুঁৱৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকী সু-প্ৰশাসক আৰু পণ্ডিত আছিল যিয়ে তেওঁৰ দীৰ্ঘদিনীয়া ৰাজহুৱা জীৱনৰ জৰিয়তে সাংবিধানিক প্ৰমূল্য আৰু ৰাষ্ট্ৰৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ উদাহৰণ দাঙি ধৰিছিল। তেওঁৰ আদৰ্শ নতুন নেতাসকলৰ বাবে অনুপ্ৰেৰণা হৈ ৰ'ব বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ মৃত্যুবাৰ্ষিকীত শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত ড০ শৰ্মাই কয়, যে দূৰদৰ্শী ৰাষ্ট্ৰৰ নায়ক, প্ৰজ্ঞাবান চিন্তাবিদ আৰু দক্ষ প্ৰশাসক হিচাপে প্ৰণৱ মুখাৰ্জীয়ে তেওঁৰ

দীৰ্ঘ ৰাজহুৱা জীৱনত দেশৰ উন্নয়ন আৰু অগ্ৰগতিত অনন্য অৱদান আগবঢ়াই থৈ গৈছে। অসমৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰতো প্ৰয়াত ৰাষ্ট্ৰপতিগৰাকীৰ সহযোগিতা সদায় স্মৰণীয় হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰ শীতল কুমাৰৰ নেতৃত্বত জিলা আৰক্ষীৰ এটা দলে যোৱা নিশা মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী আছামেৰ আলগা, শিহুমাৰা আৰু বৰাইৰ আলগা অঞ্চল পৰিদৰ্শন কৰে। আৰক্ষীৰ দলটোৱে শিহুমাৰা গাঁৱত এখন সজাগতামূলক সভাৰ আয়োজন কৰে। সভাত সীমান্ত অঞ্চলত সংঘটিত বিভিন্ন অপৰাধ বিশেষকৈ মাদক দ্ৰব্য সৰবৰাহ, চোৰাং বেহা আৰু অন্যান্য অবৈধ কাৰ্যকলাপ ৰোধ কৰাৰ ক্ষেত্ৰত স্থানীয় ৰাইজৰ সহযোগিতাৰ বাবে আহ্বান জনোৱা হয়। ৰাইজৰ সহযোগিতাৰেহে এই অপৰাধসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব বুলি আৰক্ষীয়ে ব্যক্ত কৰে। সীমান্ত অঞ্চলত অপৰাধমূলক কাৰ্য নিয়ন্ত্ৰণ আৰু নিৰ্মূলৰ ক্ষেত্ৰত এই অঞ্চলৰ বাসিন্দাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উল্লেখ কৰি আৰক্ষীয়ে কোনো সন্দেহজনক গতিবিধি দেখা পালে আৰক্ষীৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰিবলৈ আহ্বান জনায়। কাৰ্যসূচীত জিলা আৰক্ষীৰ লগতে সীমান্ত সুৰক্ষা বাহিনী, স্থানীয় পঞ্চায়ত প্ৰতিনিধি আৰু গাঁওবাসী উপস্থিত থাকে।

০০০০০০

কাছাৰ আৰক্ষীয়ে বৰখলা আৰক্ষী থানাৰ অন্তৰ্গত মইনাগড় অঞ্চলৰ দলুত অভিযান চলাই যোৱা নিশা বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ কৰে। মিজোৰামৰ পৰা আহি থকা এখন গাড়ীত তালাচী চলাই আৰক্ষীয়ে প্ৰায় ৮০ হাজাৰ য়াবা টেবলেট জব্দ কৰে। টেবলেটখিনিৰ আনুমানিক বজাৰ মূল্য ১৬ কোটি টকা বুলি আৰক্ষীয়ে জনাইছে। ঘটনা সংক্ৰান্তত ধলাই থানাৰ জামালপুৰৰ ছমচুল হুছেইন লস্কৰ নামৰ এজন লোকক আটক কৰে। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

বিশ্বনাথ জিলা আৰক্ষীয়ে কালি নিশা অভিযান চলাই বুজন পৰিমাণৰ নকল সোণ জব্দ কৰে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক আচিফ আহমেদৰ নেতৃত্বত চলোৱা প্ৰথমটো অভিযানত ২ কিলোগ্ৰাম ওজনৰ এখন নকল সোণৰ নাও জব্দ কৰাৰ লগতে এই সংক্ৰান্তত এজন লোকক আটক কৰা হয়। আনটো অভিযানত বিশ্বনাথ বাইপাছত এখন বাহনৰ পৰা ৩০ কাৰ্টন অবৈধ অৰুণাচলী সুৰা জব্দ কৰা হয়। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

**সমাপ্ত**